# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীত ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে।

২। দেশত দুখন বন্দে ভাৰত শ্লিপাৰ ৰে'লগাড়ী মুকলি কৰা হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিছে।

৩। নাটো আৰু আমেৰিকাৰ সামৰিক শক্তিৰ সহায়ত ইউক্ৰেইনে ৰাছিয়াৰ পৰা নিজৰ সকলো ভূখণ্ড ঘূৰাই আনিব পাৰে বুলি ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে মন্তব্য কৰিছে।

৪। ভাৰতবৰ্ষই গোলকীয় প্ৰতিযোগিতাসমূহ আয়োজন কৰাৰ সম্পূৰ্ণ ক্ষমতাৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ মঞ্চ হিচাপে আত্মপ্ৰকাশ কৰিছে কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মান্দাভিয়াই প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আজি পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশৰ মুখামুখি হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীত ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। চলচ্চিত্ৰ নিৰ্মাণ, অভিনয়, কাহিনী কথনকে ধৰি বিভিন্ন শিতানত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হয়। বঁটাসমূহ প্ৰদান কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে চলচ্চিত্ৰ কেৱল এটা উদ্যোগেই নহয়, ই সমাজত সজাগতা বৃদ্ধি কৰাৰ এটা শক্তিশালী মাধ্যমো। চলচ্চিত্ৰই জনসাধাৰণক অধিক সংবেদনশীল ৰূপে গঢ়ি তোলে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত সকলো ব্যক্তিকে ভাৰতীয় চলচ্চিত্ৰই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধিক সন্মান আৰু পৰিচয় লাভ কৰাটো নিশ্চিত কৰিবলৈ অধিক প্ৰচেষ্টা কৰিবৰ বাবে আহ্বান জনায়। বৰ্তমান সময়ত মহিলা কেন্দ্ৰিক চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছে আৰু এনে ধৰণৰ চলচ্চিত্ৰসমূহে বঁটা লাভ কৰাটো এটা ধনাত্মক সামাজিক দিশ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

কালিৰ অনুষ্ঠানত প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। হিন্দী চলচ্চিত্ৰ **টুৱেল্‌ভথ ফে'ল**লৈ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ হিন্দী বোলছবিৰ বঁটা **কটহল - এ জেক ফ্ৰুট মিস্তৰি**লৈ আগবঢ়োৱা হয়। জৱান বোলছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। একেদৰে, **মিছেছ চেট্টাৰ্জী ভাৰ্ছেছ নৰৱে** শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ

অভিনেত্ৰীৰ পুৰস্কাৰ আগবঢ়োৱা হয়। সুদীপ্ত সেনৰ **দ্যা কেৰালা** ছবিখনে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শিল্পা ৰাও আৰু পি ভি এন এছ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, কালিৰ অনুষ্ঠানতে অসমৰ বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল দত্তলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা আগবঢ়োৱা হয়। পৰিচালক শিল্পীকা বৰদলৈয়ে মও - দ্যা স্পিৰিট ড্ৰীমজ অৱ চেৰাও শীৰ্ষক চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা লাভ কৰে।

০০০০০

দেশত দুখন বন্দে ভাৰত স্লিপাৰ ৰে'লগাড়ী মুকলি কৰা হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে এই দুখন ৰে'লগাড়ীৰ ভিতৰত প্ৰথমখনে সকলো পৰীক্ষা আৰু পৰীক্ষামূলক যাত্ৰা সফলতাৰে সম্পন্ন কৰিছে আৰু দ্বিতীয়খনে অহা মাহৰ মাজভাগৰ ভিতৰত পৰীক্ষামূলক যাত্ৰা সম্পূৰ্ণ কৰিব। এই ৰে'লগাড়ী দুখনৰ প্ৰতিখনতে ১৬টাকৈ ডবা থাকিব বুলি তেওঁ প্ৰকাশ কৰে। এচি-ফাৰ্ষ্ট ক্লাছ, এচি-টু টায়াৰ আৰু এচি-থ্ৰী টায়াৰ ডবা থাকিবলগীয়া এই ৰে'লগাড়ী দুখনৰ প্ৰতিখনতে এবাৰত মুঠ এহেজাৰ ১২৮ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। ৰে'লগাড়ী দুখনৰ সৰ্বাধিক গতিবেগ ঘণ্টাত ১৮০ কিলোমিটাৰ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, ১ অক্টোবৰৰ পৰা ১৫ নৱেম্বৰৰ ভিতৰত দেৱালী আৰু ছট্‌ পূজাৰ প্ৰতি লক্ষ্য ৰাখি দেশত মুঠ ১২ হাজাৰ বিশেষ ৰে'লগাড়ীৰ চলাচল কৰোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

নাটো আৰু আমেৰিকাৰ সামৰিক শক্তিৰ সহায়ত ইউক্ৰেইনে ৰাছিয়াৰ পৰা নিজৰ সকলো ভূখণ্ড ঘূৰাই আনিব পাৰে বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে মন্তব্য কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা পোষ্টত উল্লেখ কৰে, যে কিয়েভৰ বিৰুদ্ধে যুঁজি সমগ্ৰ ইউক্ৰেইনক পুনৰ জয়ী কৰিব পৰা যাব। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকৰ পিছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে এই মন্তব্য কৰে। তেও কয়, যে তেওঁৰ মতামত সলনি হৈছে কাৰণ তেওঁ সামৰিক আৰু অৰ্থনৈতিক পৰিস্থিতি সম্পূৰ্ণৰূপে বুজিবলৈ আৰম্ভ কৰিছে। যুদ্ধক্ষেত্ৰত সৰু প্ৰতিবেশী দেশখনক পৰাজিত কৰিব নোৱাৰাৰ বাবে ৰাষ্ট্ৰপতি গৰাকীয়ে ৰাছিয়াক সমালোচনাও কৰে।

০০০০০

ভাৰতবৰ্ষই গোলকীয় প্ৰতিযোগিতাসমূহ আয়োজন কৰাৰ সম্পূৰ্ণ ক্ষমতাৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ মঞ্চ হিচাপে আত্মপ্ৰকাশ কৰিছে। ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড° মনসুখ মান্দাভিয়াই নতুন দিল্লীত কাইলৈৰ পৰা হ'বলগীয়া চলিত বৰ্ষৰ বিশ্ব পেৰা এথলেটিক্স চেম্পিয়নশ্বিপছৰ প্ৰস্তুতিৰ বুজ লৈ কালি এই মন্তব্য কৰে। পৰিদৰ্শনৰ অংশ হিচাপে মন্ত্ৰীগৰাকী প্ৰতিযোগিতাখনৰ সৈতে জড়িত বিভিন্ন সা-সুবিধাৰ বুজ লয় আৰু অংশগ্ৰহণকাৰী খেলুৱৈ তথা বিষয়াসকলৰ বাবে বিশ্বমানৰ ব্যৱস্থা তথা অহৰহ সেৱাত গুৰুত্ব দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে দিল্লীৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত শতাধিক ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব আৰু এয়া হ'ব ভাৰতবৰ্ষই আয়োজন কৰা সৰ্ববৃহৎ পেৰা এথলেটিক্স প্ৰতিযোগিতা। এই

প্ৰতিযোগিতাই দেশৰ সামৰ্থ্য, চহকী সংস্কৃতি আৰু সকলোকে এক কৰাৰ শক্তি হিচাপে ক্ৰীড়াৰ প্ৰতি থকা দেশৰ দায়বদ্ধতাকে প্ৰতীয়মান কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজি আমি কেন্দ্ৰীয় চৰকাৰে কিদৰে ভাৰতৰ অৰ্ধ পৰিবাহী অভিযানৰ জৰিয়তে দেশৰ ভৱিষ্যৎ গঢ় দিছে সেই বিষয়ে চমু প্ৰতিবেদন আগবঢ়াইছো।

অৰ্থ পৰিবাহী হৈছে আধুনিক ইলেকট্ৰনিকছৰ অপৰিহাৰ্য অংগ, যিয়ে যন্ত্ৰসমূহক কাম কৰাৰ ক্ষেত্ৰত সুপ্ত মগজুৰ দৰে কাম কৰে। ২০২১ চনত ভাৰতৰ অৰ্ধ পৰিবাহী অভিযান চমুকৈ আই এছ এম আৰম্ভ হোৱাৰ পাছৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে নিজৰ অৰ্ধ পৰিবাহী যাত্ৰাক সপোনৰ পৰা বাস্তৱলৈ ৰূপান্তৰিত কৰিছে। চলিত মাহত নতুন দিল্লীত অনুষ্ঠিত হোৱা ছেমিকন ইণ্ডিয়া ২০২৫ত ভাষণ দি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশৰ অৰ্ধ পৰিবাহী যাত্ৰাক ডিজিটেল ডায়মণ্ড অৰ্থাৎ ডিজিটেল হীৰা হিচাপে অভিহিত কৰে। ভাৰতৰ অৰ্ধ পৰিবাহী অভিযানে ৭৬ হাজাৰ কোটি টকাৰ ছেমিকন ইণ্ডিয়া অনুষ্ঠান চলাই আছে আৰু অৰ্ধ পৰিবাহীৰ লগতে ডিছপ্লে' নিৰ্মাণৰ বাবে ৫০ শতাংশ পৰ্যন্ত সহায় আগবঢ়াইছে। ডিজাইন লিংক ইনচেনটিভ আঁচনিৰ জৰিয়তে ২৮০ খনতকৈও অধিক শৈক্ষিক প্ৰতিষ্ঠান আৰু ৭০তকৈ অধিক ষ্টাৰ্টআপক সামৰি লোৱা হৈছে। লগতে এছ পি ই চি এছ আঁচনিয়ে ইলেকট্ৰনিক সামগ্ৰী নিৰ্মাণৰ বাবে ২৫ শতাংশ সমৰ্থন আগবঢ়াইছে। ছেমিকন ইণ্ডিয়া ২০২৫ত দেশৰ অৰ্ধ পৰিবাহী যাত্ৰা মাইলৰ খুঁটিত উপনীত হয়, য'ত কেন্দ্ৰীয় ইলেকট্ৰনিক আৰু প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আনুষ্ঠানিকভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মেড ইন ইণ্ডিয়া ছিপৰ প্ৰথমটো ছেট প্ৰদান কৰে। এই পদক্ষেপসমূহে স্বাৱলম্বী অৰ্ধ পৰিবাহী উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত দেশৰ অবিৰত প্ৰগতিৰ প্ৰতিফলন ঘটায়।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ পশ্চিমবংগ, ওড়িশা আৰু ছত্তিশগড়ৰ অঞ্চল বিশেষে মুষলধাৰ বৰষুণৰ সতৰ্কবাণী জাৰি কৰিছে। বিভাগে আজি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, তেলেংগানা আৰু বিদৰ্ভতো ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। আজিৰে পৰা পৰৱৰ্তী ৩-৪ দিনলৈ আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ লগতে অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল আৰু পশ্চিমবংগৰ গংগা নৈৰ নিকটৱৰ্তী অঞ্চলসমূহত ধুমুহা-বৰষুণৰ লগতে বজ্ৰপাতৰ আশংকাও বিভাগে প্ৰকাশ কৰিছে।

০০০০০

খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগে কালি নতুন দিল্লীত ভাৰতীয় খাদ্য নিগমৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই বুজাবুজিৰ চুক্তিৰ লক্ষ্য হৈছে খাদ্য, শস্য ব্যৱস্থাপনাৰ ক্ষেত্ৰত অধিক কাৰ্যক্ষমতা নিশ্চিত কৰিবলৈ প্ৰদৰ্শনৰ মান আৰু লক্ষ্য নিৰ্ধাৰণ কৰা। এই চুক্তিৰ জৰিয়তে সংৰক্ষণৰ ফলত দেখা পোৱা লোকচান হ্ৰাস কৰা, গুদামৰ ক্ষমতাৰ ব্যৱহাৰ উন্নত কৰা, সামগ্ৰী আৰু যোগান শৃংখলৰ কাৰ্যক্ষমতাৰ বিকাশ আৰু গুণগত নিয়ন্ত্ৰণ শক্তিশালী কৰা আদি দিশত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰাৰ দিশত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। চলিত মাহৰ ২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা জি এছ টি সংস্কাৰৰ সুবিধা জনসাধাৰণে লাভ কৰিব পাৰিব। এই নতুন সংস্কাৰৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ ৫, ১২, ১৮ আৰু ২৮ শতাংশৰ চাৰিটা স্তৰৰ গাঁথনি সৰল কৰি ৫ শতাংশ আৰু ১৮ শতাংশৰ দুটা স্তৰৰ গাঁথনিলৈ পৰিবৰ্তন কৰিছে। সামগ্ৰী আৰু সেৱাৰ ওপৰত কৰ হাৰ হ্ৰাস কৰা এই নতুন সংস্কাৰে নাগৰিকসকলক বহু পৰিমাণে সকাহ দিছে।

ooooo

ভাৰত আজি পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব।

ইপিনে, প্ৰতিযোগিতাত যোৱানিশা সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে শ্ৰীলংকাক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৩ ৰান কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ১৮ অভাৰত ৫টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। পাকিস্তানৰ হুছেইন তালাটক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**